# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
মিৰ্জা - ৭৮১১২৫, কামৰূপ ঃ অসম
# DAKSHIN KAMRUP GIRLS' COLLEGE
Accredited by NAAC : B Grade
Mirza - 781125, Kamrup : Assam
স্থাপিত ঃ ১৯৮৮ ইং চন
☎ : 9365971719 (M) 03623299996
E-mail : dkgcmirza1988@rediffmail.Com
Website: www.dkgirlscollege.in

তাৰিখ ঃ ০৪-০৭-২০২২ ইং

## জাননী - ১
(স্নাতক প্ৰথম ষাণ্মাসিক শ্ৰেণীৰ নামভৰ্তি ২০২২-২৩)

ইয়াৰ দ্বাৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০২২-২৩ শিক্ষা বৰ্ষৰ বাবে স্নাতক প্ৰথম ষাণ্মাসিক শ্ৰেণীৰ কলা শাখাত নামভৰ্তি কৰিব বিচৰা ছাত্ৰী সকলক জনোৱা হ'ল যে কাইলৈ ০৫-০৭-২০২২ ইং তাৰিখৰ পৰা online যোগে নামভৰ্তিৰ প্ৰ-পত্ৰ পূৰণ (form fill-up) কৰাৰ বাবে মুকলি কৰি দিয়া হ'ব । ইচ্ছুক ছাত্ৰী সকলে মহাবিদ্যালয়ৰ Website (dkgirlscollege.in) -ত গৈ Admission link- ত ক্লিক কৰি প্ৰথমতে পঞ্জীয়ন (Registration) কৰিব লাগিব । ইয়াৰ পিছত I.D. আৰু Password - ৰে log in কৰি প্ৰ-পত্ৰ খন পূৰণ কৰিব লাগিব । উল্লেখ থাকিল যে প্ৰ-পত্ৰ পূৰণ কৰোতে প্ৰ-পত্ৰত বিচৰা মতে অতি সাৱধানে তথ্যপাতি বোৰ অন্তৰ্ভুক্ত কৰিব লাগিব । প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া অহা ১১-০৭-২০২২ ইং তাৰিখৰ দিনৰ ১২ বজালৈ চলিব । ১১-০৭-২০২২ ইং তাৰিখে আবেলি ১ বজাত বাঁচনি তালিকা প্ৰকাশ কৰা হ'ব । ১২-০৭-২০২২ ইং তাৰিখ মঙ্গলবাৰে দিনৰ ১০ বজাৰ পৰা নামভৰ্তি প্ৰক্ৰিয়া চলিব । সকলো ছাত্ৰীকে জাননীত উল্লেখ কৰা মতে সহায়-সহযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল ।

**নামভৰ্তিৰ সময়ত দিবলগীয়া মাচুল তলত দিয়া ধৰণৰ ঃ**

(ক) চৰকাৰী বিনামূলীয়া সুবিধা পোৱা ছাত্ৰী সকলৰ বাবে ৫৫০.০০ টকা

(খ) চৰকাৰী বিনামূলীয়া সুবিধা নোপোৱা অনাৰ্চ থকা ছাত্ৰী সকলৰ বাবে ৪,৭৪০.০০ টকা

(গ) চৰকাৰী বিনামূলীয়া সুবিধা নোপোৱা ৰেগুলাৰ ছাত্ৰী সকলৰ বাবে ৪,৬২০.০০ টকা

(ঘ) চৰকাৰী বিনামূলীয়া সুবিধা নোপোৱা Home Science থকা ছাত্ৰী সকলে ১০০.০০ টকা অতিৰিক্তভাৱে দিব লাগিব ।

(ঙ) গণ সংযোগ আৰু সাংবাদিকতা (Mass Communication & Journalism) বিষয়লৈ পঢ়িব খোজা ছাত্ৰীসকলে নিজা খৰচত পঢ়িব লাগিব। নাম ভৰ্তিৰ মাচুল - **৪০০০/-**(চাৰি হাজাৰ) টকা

04/07/2022

অধ্যক্ষ
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা
Principal
Dakshin Kamrup Girls'College
Mirza-781125

বিঃদ্ৰঃ- ইচ্ছুক ছাত্ৰীসকলে আমাৰ মহাবিদ্যালয়ত অতি কম খৰচত প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব।

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
মিৰ্জা - ৭৮১১২৫, কামৰূপ ঃ অসম

# DAKSHIN KAMRUP GIRLS' COLLEGE
Accredited by NAAC : B Grade
Mirza - 781125, Kamrup : Assam
স্থাপিত ঃ ১৯৮৮ ইং চন

☎ : 9365971719 (M)
03623299996
E-mail : dkgcmirza1988@rediffmail.Com
Website: www.dkgirlscollege.in


তাৰিখ ঃ ০৪-০৭-২০২২ ইং

## জাননী - ২

স্নাতক প্ৰথম যাণ্মাসিক শ্ৰেণীৰ নামভৰ্তি ২০২২-২৩

**(চৰকাৰী বিনামূলীয়া সুবিধা লাভ কৰা ছাত্ৰী সকলৰ বাবে)**

ইয়াৰ দ্বাৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ স্নাতক প্ৰথম যাণ্মাসিক শ্ৰেণীৰ বিনামূলীয়াকৈ নামভৰ্তি কৰিব বিচৰা ছাত্ৰীসকলৰ জ্ঞাতাৰ্থে তলৰ কথাখিনি জনোৱা হ'ল ।

(১) যিসকল ছাত্ৰীৰ অভিভাৱকৰ বছৰেকীয়া আয় ২ লাখ অথবা তাতকৈ কম, সেই সকল ছাত্ৰীয়ে বিনামূলীয়াকৈ নামভৰ্তি কৰিব পাৰিব ।

(২) কোনো ছাত্ৰীৰ অভিভাৱক (পিতৃ-মাতৃ) ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰ বা অৰ্ধচৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰী হ'লে সেই গৰাকী ছাত্ৰীয়ে বিনামূলীয়াকৈ নামভৰ্তি কৰিব নোৱাৰিব ।

(৩) বছৰেকীয়া আয়ৰ প্ৰমাণ পত্ৰ স্থানীয় ৰাজহ চক্ৰ বিষয়া, উত্তীৰ্ণ হোৱা শিক্ষানুষ্ঠানৰ মুৰব্বী অথবা নটাৰী (Notary) - য়ে দিয়া হ'ব লাগিব ।

(৪) বিনামূলীয়াকৈ নামভৰ্তি কৰিবলগীয়া প্ৰতিগৰাকী ছাত্ৰীৰে মাক-দেউতাক যে অসম বা ভাৰতৰ চৰকাৰী বা অৰ্ধ চৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰী নহয় তাৰ এক ঘোষণা পত্ৰ দাখিল কৰিব লাগিব । এই ঘোষণা পত্ৰ যদি মিছা হয়, নামভৰ্তি বাতিল কৰা হ'ব ।

(৫) প্ৰতিগৰাকী ছাত্ৰীয়ে এডালকৈ গছপুলি (বৃক্ষ) নিজৰ ঘৰ অথবা মহাবিদ্যালয়ত ৰোপণ কৰাৰ আলোকচিত্ৰ দাখিল কৰিব লাগিব ।

(৬) প্ৰতিগৰাকী ছাত্ৰীয়ে আয়ৰ প্ৰমাণ পত্ৰ নামভৰ্তিৰ সময়ত দিব নোৱাৰিলে ঘোষণা পত্ৰত উল্লেখিত তাৰিখৰ মতে জমা দিব লাগিব । অন্যথা নামভৰ্তিৰ সম্পূৰ্ণ টকা আদায় দিব লাগিব ।

04/07/2022

অধ্যক্ষ
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

Principal
Dakshin Kamrup Girls'College
Mirza-781125